**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-OCT-2025
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
--------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত প্ৰধানমন্ত্ৰী ধন ধান্য যোজনা আৰু দাইল আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়াৰ আফগানিস্তানৰ শলাগ লৈছে।

৩। উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ ৰাজ্যৰ মৰ্যাদা বাহাল কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা একাধিক আবেদনৰ সন্দৰ্ভত সঁহাৰি জনাবলৈ কেন্দ্ৰীয় চৰকাৰক ৪ সপ্তাহৰ সময় দিছে।

৪। ভেনিজুৱেলাৰ মাৰিয়া কোৰিনা মচাডোলৈ ২০২৫ বৰ্ষৰ শান্তিৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। নতুন দিল্লী টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত প্ৰধানমন্ত্ৰী ধন ধান্য যোজনা আৰু দাইল আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব। কৃষি মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী ধন-ধান্য কৃষি যোজনাৰ অধীনত সমগ্ৰ দেশৰ কম উৎপাদন হোৱা ১০০খন জিলাত ব্যাপক কৃষি বিকাশৰ আৰু কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে খেতিপথাৰলৈ জলসিঞ্চনৰ সুবিধা সুনিশ্চিত কৰা, শস্য বিবিধতাৰ প্ৰসাৰ আৰু ঋণ তথা মজুতকৰণ আন্তঃগাঁথনি সহজলভ্য কৰি তুলিব বিচৰা হৈছে।

দাইল আত্মনিৰ্ভৰশীল অভিযানৰ অধীনত ৰহৰ, মাটি মাহ আৰু মচুৰৰ দৰে প্ৰধান দাইলজাতীয় শস্য উৎপাদন বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হ'ব। এই অভিযানৰ অধীনত কেন্দ্ৰীয় সংস্থাসমূহে পঞ্জীকৃত খেতিয়কৰ ১০০ শতাংশ উৎপাদিত শস্য ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰিব আৰু ইয়াৰ জৰিয়তে খেতিয়কসকলে উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰিবলৈ সমৰ্থ হ'ব। এই অভিযানৰ মাধ্যমেৰে মাহজাতীয় শস্য খেতি কৰা মাটিৰ পৰিমাণ বৃদ্ধি আৰু উৎপাদন বৃদ্ধিৰ বাবে কাম কৰা হ'ব। দাইলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ দিশৰ পৰা এই পদক্ষেপ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কৃষি মন্ত্ৰালয়ে কৈছে যে এই উদ্যমসমূহে অনাগত সময়ত ভাৰতৰ খাদ্য সুৰক্ষাৰ দিশটো সুদৃঢ় কৰাই নহয়, বৰং দেশক দাইলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভশীলতা অৰ্জনৰ দিশে লৈ যাব।

কাইলৈৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কৃষিক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱা খেতিয়ক, কৃষক উৎপাদক সংস্থা, সমবায় সমিতি আৰু উদ্ভাৱকসকলক সন্মানিত কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কৃষি আন্তঃগাঁথনি পুঁজি, পশুপালন, মীন পালন আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সৈতে জড়িত এহেজাৰ ১০০টাৰো অধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়াৰ আফগানিস্তানৰ শলাগ লৈছে। নতুন দিল্লীত আজি ড০ জয়শংকৰ আৰু আফগানিস্তানৰ মৌলবী আমিৰ খান মুট্টাকীৰ মাজত হোৱা আলোচনাত অন্তত জাৰি কৰা এটা যুটীয়া বিবৃতিত এই কথা প্ৰকাশ কৰা হয়। দুয়োপক্ষই লগতে অঞ্চলটোত শান্তি, সুস্থিৰতা আৰু পাৰস্পৰিক আস্থাৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰে।

দুয়োপক্ষই পৰস্পৰৰ সাৰ্বভৌমত্ব আৰু ভৌগলিক অখণ্ডতাৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বিষয়তো গুৰুত্ব দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰে লগতে ভাৰতৰ সুৰক্ষা উদ্বেগৰ বিষয়ে অৱগত হোৱাৰ বাবে আফগান পক্ষৰ শলাগ লয়। আফগানিস্তানৰ বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে সেই দেশৰ চৰকাৰে কোনো গোট বা ব্যক্তি আফগানিস্তানৰ ভূখণ্ড ভাৰতৰ বিৰুদ্ধে ব্যৱহাৰ কৰিবলৈ নিদিয়ে। ড০ জয়শংকৰে নাংগাৰহাৰ আৰু কুনাৰ প্ৰদেশত অলপতে অহা বিধবংসী ভূমিকম্পত ভালেসংখ্যক লোকৰ প্ৰাণহানিক লৈ গভীৰ শোক প্ৰকাশ কৰে। আফগানিস্তানৰ বিদেশ মন্ত্ৰীগৰাকীয়ে বিপৰ্যয়ৰ সময়ত ভাৰতে আগবঢ়োৱা সহায় আৰু সাহায্যৰ বাবে ধন্যবাদ জনায়। আলোচনা কালত দুয়োপক্ষই আফগানিস্তানলৈ আগবঢ়োৱা ভাৰতীয় মানৱীয় সাহায্য কাৰ্যসূচীৰ প্ৰগতিৰ পৰ্যালোচনা চলায়। ড০ জয়শংকৰে এনে ধৰণৰ সাহায্য অব্যাহত ৰাখিবলৈ ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰে। দুয়োপক্ষই লগতে সাংস্কৃতিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে ক্ৰীড়া বিশেষকৈ ক্ৰিকেটৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰে।

000000

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ ৰাজ্যৰ মৰ্যাদা বাহাল কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা একাধিক আবেদনৰ সন্দৰ্ভত সঁহাৰি জনাবলৈ কেন্দ্ৰীয় চৰকাৰক ৪ সপ্তাহৰ সময় দিছে। মুখ্য ন্যায়াধীশ বি আৰ গভাই আৰু কে বিনোদ চন্দ্ৰনক লৈ গঠিত এখন বিচাৰপীঠে আজি জম্মু-কাশ্মীৰৰ ৰাজ্যৰ মৰ্যাদা বাহাল কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দিয়া আশ্বাস ৰূপায়ণ কৰিবলৈ অনুৰোধ জনাই দাখিল কৰা একাধিক আবেদনৰ শুনানি গ্ৰহণ কৰি এই ৰায় দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ হৈ চলিচিটৰ জেনেৰেল তুষাৰ মেহতাই কয় যে জম্মু-কাশ্মীৰত পৰ্যাপ্ত প্ৰগতি হৈছে। তেওঁ কয় যে জম্মু কাশ্মীৰৰ বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণভাৱে হৈছে আৰু সংবিধানপীঠক দিয়া প্ৰতিশ্ৰুতি অনুযায়ী নিৰ্বাচিত চৰকাৰ গঠন কৰা হৈছে।

000000

ভেনিজুৱেলাৰ মাৰিয়া কোৰিনা মচাডোলৈ ২০২৫ বৰ্ষৰ শান্তিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ভেনিজুৱেলাৰ জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰৰ প্ৰসাৰৰ বাবে চলোৱা অক্লান্ত প্ৰচেষ্টাৰ বাবে মাৰিয়াক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। উল্লেখযোগ্য যে টাইম আলোচনীৰ ২০২৫ বৰ্ষৰ সবাতোকৈ প্ৰভাৱশালী লোকৰ তালিকাত ভেনিজুৱেলাত আইৰণ লেডী ৰূপে খ্যাত মচাডোৰ নাম অন্তৰ্ভুক্ত হৈছিল।

000000

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস উপলক্ষে নতুন দিল্লীত ৰাষ্ট্ৰীয় দুৰসংযোগ মানসিক স্বাস্থ্য কাৰ্যসূচীৰ বাবে **টেলি মানস এপ**কে ধৰি কেইবাটাও নতুন উদ্যম মুকলি কৰে। ন-ৰূপত সজাই তোলা টেলিমানস এপত জৰুৰী পৰিস্থিতিত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে জৰুৰীকালীন মডিউল আৰু এপৰ সৈতে জড়িত লোকসকলক বহুভাষী ব্যৱহাৰকাৰী ইণ্টাৰফেচ ছেট বোটৰ সুবিধা প্ৰদান কৰা হৈছে। টেলিমানস এপ এতিয়াৰে পৰা ইংৰাজী আৰু হিন্দী ভাষাৰ উপৰি ১০টা আঞ্চলিক ভাষাতো উপলব্ধ হ'ব। এই উপলক্ষে শ্ৰীনাড্ডাই কয় যে মানসিক স্বাস্থ্যসেৱাৰ বাবে ন্যায়সংগত, বহনক্ষম আৰু সকলোৰে বাবে সহজলভ্য কৰি তুলিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে টেলিমানস এপৰ নতুন বৈশিষ্ট্যসমূহৰ শুভাৰম্ভ কৰি চৰকাৰে মানসিক স্বাস্থ্যজনিত জৰুৰীকালীন অৱস্থাৰ ফলপ্ৰসূভাৱে

সমাধান কৰা আৰু দেশৰ প্ৰতিটো কোণত ডিজিটেল উদ্ভাৱনৰ সম্প্ৰসাৰণৰ প্ৰতি প্ৰস্তুতি সুদৃঢ় কৰি তুলিছে। টেলিমানস সন্দৰ্ভত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয় যে ২০টাৰো অধিক ভাষাত প্ৰশিক্ষিত পৰামৰ্শদাতাৰ জৰিয়তে এই এপৰ জৰিয়তে প্ৰায় ২৮ লাখ লোকৰ সমস্যা সমাধান কৰা হৈছে।

০০০০০০

বিহাৰৰ লগতে অন্যান্য ৰাজ্যসমূহৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। এই প্ৰশিক্ষণত অনলাইন মূল্যাংকন আৰু মনোনয়ন প্ৰক্ৰিয়াৰ সময়ত বিভিন্ন বিষয়ত উত্থাপন হোৱা সন্দেহ নিষ্পত্তি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কালিৰে পৰা অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত ২৪৩গৰাকী নিৰ্বাচনী বিষয়াৰ লগতে এহেজাৰ ৪১৮গৰাকী সহকাৰী নিৰ্বাচনী বিষয়াই অংশগ্ৰহণ কৰে। আয়োগে জানিবলৈ দিয়া অনুসৰি অনলাইন মূল্যাংকন আৰু সন্দেহ নিষ্পত্তি অধিবেশনৰ লগতে মনোনয়ন প্ৰক্ৰিয়া, আৰ্হি আচৰণ বিধি, নিৰ্বাচনী বিধি, ভোটগ্ৰহণৰ দিনা ল'বলগীয়া বিভিন্ন ব্যৱস্থা আৰু ভোটগণনা আদি বিষয়তো প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি নতুন দিল্লীত অনুষ্ঠিত ইণ্ডো-জাৰ্মান যুৱ নেতা মঞ্চত অংশগ্ৰহণ কৰি ভাৰতক সুস্থিৰ গণতন্ত্ৰ হিচাপে গঢ়ি তোলা শেহতীয়া আইন সন্দৰ্ভত জনসাধাৰণক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমেঘৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত আদৰ্শ গণতন্ত্ৰ, আইনী নিধি আৰু বিশ্ব পৰ্যায়ৰ সু-শাসনৰ দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে এই মঞ্চৰ জৰিয়তে ভাৰত আৰু জাৰ্মানীৰ যুৱ নেতাসকল, নীতিনিৰ্ধাৰক আৰু শিক্ষাবিদসকলে ঐক্যবদ্ধ হৈ সহযোগিতা, উদ্ভাৱন আৰু যুৱ নেতাসকলৰ নেতৃত্বক নতুন গতি প্ৰদানৰ উদ্দেশ্যে কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই মঞ্চই দুয়ো দেশৰ দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰিছে।

০০০০০০

ভাৰতে নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে অ'পেনাৰ যশস্বী জয়ছৱালৰ ১৭৩ ৰাণৰ সহায়ত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত ৩১৮ ৰাণ সংগ্ৰহ কৰে। দিনান্তত যশস্বী জয়ছৱালে ১৭৩ আৰু শুভমন গীলে ২০ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ছাই সুদৰ্শনে ৮৭ আৰু কে এল ৰাহুলে ৩৮ ৰাণ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

০০০০০০

ভাৰতীয় বেডমিণ্টন দলে আজি গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতে আজি ইণ্ডোনেছিয়াৰ হাতত পৰাভূত হয় যদিও ছেমি ফাইনেলত প্ৰবেশ কৰাৰ সুবাদত প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। উন্নতি হুদা নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৰ ছেমি ফাইনেলত ৩৫-৪৫, ২১-৪৫ পোনপটীয়া গেমত পৰাভূত হয়।

০০০০০০

সমাপ্ত